**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-09-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত কৰিবলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰাৰ্থীসকললৈ নীতি-নিৰ্দেশনা জাৰি।

২। কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী বি এল বাৰ্মাৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন। কেন্দ্ৰীয় পৰ্যটন ৰাজ্য মন্ত্ৰী সুৰেশ গোপীৰ মৰিগাঁও ভ্ৰমণ।

৩। ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলিৰ ক্ষেত্ৰত প্ৰস্তুত কৰা পোৰ্টেলৰ বাবে যাৱতীয় তথ্য আজিৰ ভিতৰত দাখিল কৰিবলৈ নিৰ্দেশ।

*আৰু*

৪। স্বচ্ছতাই সেৱা শীৰ্ষক দেশজোৰা অভিযানৰ অংশ হিচাপে আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ কামৰূপ জিলাৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জনসম্পৰ্ক ৰক্ষা কাৰ্যসূচী।

0000000

———ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে অহা ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত কৰিবলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ বাবে প্ৰাৰ্থীসকললৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই সন্দৰ্ভত আয়োগে জাৰি কৰা জাননী অনুসৰি পৰীক্ষাকেন্দ্ৰত প্ৰৱেশৰ সময়ত আৰক্ষী বা কৰ্তৃত্বশীল ব্যক্তিৰ দ্বাৰা প্ৰাৰ্থীসকলক মেটেল ডিটেক্টৰৰ লগতে হাতেৰে তালাচী চলোৱা হ'ব। এই ক্ষেত্ৰত কোনো প্ৰাৰ্থীক যদি সঠিকভাৱে তালাচী চলোৱা নহয়, তেন্তে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীয়ে তাৎক্ষণিকভাৱে কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰাব পাৰিব। এডমিটকাৰ্ড, বৈধ পৰিচয়পত্ৰ অবিহনে কোনো প্ৰাৰ্থীকে পৰীক্ষাকেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলি উল্লেখ কৰি জাননীখনত পুনৰ কোৱা হৈছে পৰীক্ষা অন্ত পৰাৰ পিছত প্ৰাৰ্থীসকলে প্ৰশ্নকাকতখন নিজৰ লগত আনিব পাৰিব। লগতে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত প্ৰদান কৰা OMR ছীটখনত থকা ৰোল নম্বৰ উত্তৰ কৰাৰ পূৰ্বে সঠিকভাৱে পৰীক্ষা কৰিবলৈ প্ৰাৰ্থীসকলক কোৱা হৈছে। উল্লেখযোগ্য যে অহা ২৯ ছেপ্তেম্বৰৰ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয়বৰ্গৰ আৰু দুপৰীয়া ডেৰ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মেট্ৰিক পৰ্যায়ৰ চালক পদৰ পৰীক্ষা অনুষ্ঠিত হব। তথ্য অনুসৰি তৃতীয় বৰ্গৰ চাৰি হাজাৰ ৫৫টা পদৰ বাবে পাঁচ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী আৰু চালকৰ ৪১৮ টা পদৰ বাবে দুই লাখ চাৰি হাজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব।

00000

ইফালে, যোৱা ১৫ ছেপ্তেম্বৰত অনুষ্ঠিত হোৱা উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষাৰ্থীসকলৰ প্ৰশ্ন সম্পৰ্কীয় অভিযোগৰ বাবে আয়োগে অনলাইন প'ৰ্টেল মুকলি কৰিছে। www.site.sebaonline.org আৰু WWW.ASSAM.GOV.IN শীৰ্ষক ৱেবছাইট দুটাৰ জৰিয়তে ২৮ ছেপ্তেম্বৰৰ দিনৰ চাৰে ১১ বজাৰ পৰা ১০ অক্টোবৰৰ ভিতৰত প্ৰাৰ্থীয়ে প্ৰতিটো প্ৰশ্নৰ বিপৰীতে ৫০০ টকা জমা দি প্ৰশ্ন সম্পৰ্কীয় কিবা অভিযোগ থাকিলে সেয়া দাখিল কৰিব পাৰিব। তদুপৰি একেদুটা ৱেবছাইটৰ জৰিয়তে ২৭ ছেপ্তেম্বৰৰ দিনৰ চাৰে ১১ বজাৰ পৰা ১৫ অক্টোবৰৰ ভিতৰত ৫০ টকা আদায় দি নিজৰ OMR ছীটৰ **ছফট কপি** ডাউনলোড কৰিব পাৰিব।

00000

কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ, গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণৰ ৰাজ্য মন্ত্ৰী বি এল বাৰ্মাই আজি বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে চৰাইদেউ জিলাত উপস্থিত হোৱা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মৈদাম ক্ষেত্ৰত আহোম স্বৰ্গদেউসকল তথা উপৰি পুৰুষসকলক স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পূৰ্বে ঐতিহাসিক মৈদাম ক্ষেত্ৰত উপস্থিত হোৱা মন্ত্ৰীগৰাকীক কেন্দ্ৰীয় পুৰাতত্ব আৰু প্ৰত্নতত্ব সঞ্চালকালয়ৰ ফালৰ পৰা আদৰণি জনোৱা হয়। আজিৰ ভ্ৰমণ কালত তেওঁ অলপতে বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰা আহোম ৰাজত্বকালৰ মৈদামৰ গঠন, ইতিহাস, ঐতিহাসিক মূল্য তথা গুৰুত্বৰ বিষয়ে সবিশেষ বুজ লয়।

0000000

কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন দপ্তৰৰ ৰাজ্য মন্ত্ৰী সুৰেশ গোপী আজি চৰকাৰী ভ্ৰমণসূচীৰে মৰিগাঁৱত উপস্থিত হয়। জিলাখনত উপস্থিত হোৱাৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক জিলা আয়ুক্তকে ধৰি জিলা প্ৰশাসনৰ বিষয়া আৰু প্ৰতিনিধিসকলে আদৰণি জনায়। ইয়াৰ পাছতে  মন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসন আৰু আন চৰকাৰী বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে জিলাখনত বিভিন্ন চৰকাৰী আঁচনিৰ ৰূপায়ণৰ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। শ্ৰী গোপীয়ে  লগতে জিলাখনৰ লাহৰীঘাট উন্নয়ন খণ্ডত উপস্থিত হৈ চৰকাৰী আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

০০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ হকে প্ৰায় ১৫ লাখ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে বিশেষভাৱে মহিলাৰ দ্বাৰা পৰিচালিত বিকাশৰ বাবে শক্তিশালী পৰিকাথামো গঠনৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ বাবে দেশৰ গ্ৰামাঞ্চল আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ মহিলাসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত কেইবাটাও উদ্যম মুকলি কৰা হৈছে। দেশক ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যক বাস্তৱায়িত কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰে কেইবাটাও মহিলাকেন্দ্ৰীক পদক্ষেপ গ্ৰহণ কৰিছে। দিনদয়াল অন্ত্যোদয় আঁচনি    -ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায় এঘাৰ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা তেঁওলোকৰ সফলতাৰ চিনৰূপে প্ৰমাণপত্ৰ লাভ কৰিছে। এই বছৰৰ বাজেটত নাৰী শক্তিক লাভান্বিত কৰাৰ উদ্দেশ্যে ৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, মহিলাৰ বাবে সন্মান তথা ঘৰৰ মালিকীস্বত্ত সুনিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰায় ৩ কোটি অতিৰিক্ত গৃহ নিৰ্মাণ কৰা হ'ব। তদুপৰি মহিলা উদ্যোগীসকলৰ সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

আনহাতে মহিলা নেতৃত্বাধীন বিকাশৰ ক্ষেত্ৰতো নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষা, উদ্যমিতা, কৃষি, প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰৰ পদক্ষেপৰ জৰিয়তে চৰকাৰে মহিলাসকলক সৱলীকৰণ কৰিবলৈ বদ্ধপৰিকৰ হৈছে।

০০০০০০০

যোড়শ বিত্ত আয়োগৰ অধ্যক্ষৰ নেতৃত্বত আয়োগৰ সদস্যসকলৰ এটা দল আজি গুৱাহাটীত উপস্থিত হয়। অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ এটা দলে আজি পুৱা তেওঁলোকক গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত আদৰণি জনায়। বিত্ত আয়োগৰ দ্বাৰা আৱণ্টিত পুঁজি ৰূপায়ণৰ বিষয়ে বুজ লোৱাৰ উদ্দেশ্যে চাৰিদিনীয়া ভ্ৰমণসূচীৰে আয়োগৰ এই দলটো অসমত উপস্থিত হৈছে।

০০০০০০০

অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ সঞ্চালকালয় তথা জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ উদ্যোগত ৰাজ্যত আজিৰেপৰা তিনিদিনীয়াকৈ প্ৰথমবাৰৰ বাবে জ্যেষ্ঠ নাগৰিকৰ সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হৈছে। জিলা আৰু ৰাজ্যিক পৰ্যায়ত আজিৰেপৰা ২৭ ছেপ্তেম্বৰলৈ এই সমাৰোহৰ আয়োজন কৰা হৈছে। সমাৰোহৰ অংশ হিচাপে জ্যোতি সংগীত, বিষ্ণু ৰাভা সংগীত আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু একাংকিকা নাট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১ অক্টোবৰত আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱসত এই প্ৰতিযোগিতাৰ বিজয়ীসকলক বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ  সহযোগত দীনদয়াল ফাউণ্ডেচনে আয়োজন কৰা বিনামূলীয়া শ্ৰৱণ যন্ত্ৰ বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। অসম ৰাটাৰ চেণ্টাৰৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানটোত কামৰূপ মহানগৰ, কামৰূপ, মৰিগাঁও আৰু নলবাৰী জিলাৰ শ্ৰৱণ ক্ষমতা লোপ পোৱা শিশুক সামৰি আৰ্থিকভাৱে দুৰ্বল ২০০ গৰাকী লোকক শ্ৰৱণ যন্ত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী শ্ৰী শৰ্মাই কয় যে দীনদয়াল শ্ৰৱণ ফাউণ্ডেচন, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসম আৰু ক'ল ইণ্ডিয়া লিমিটেডৰ মিলিত প্ৰচেষ্টাৰে আয়োজিত এই পদক্ষেপ দীনদয়াল উপাধ্যায়ৰ অন্ত্যোদয়ৰ আহ্বান বাস্তৱায়িত কৰাৰ দিশত এটা সাৰ্থক পদক্ষেপ। এনে পদক্ষেপে সমাজৰ দুৰ্বল লোকসকলৰ সৱল কৰি আত্মমৰ্যদাৰে জীয়াই থকাৰ আদৰ্শ পৰিৱেশ নিৰ্মাণ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি বিজেপিৰ এজন নেতাৰ আত্মহননৰ ঘটনাত নাম সাঙোৰ খোৱা গুৱাহাটীৰ খানাপাৰাৰ দুলাল বৰা নামৰ এজন অভিযুক্তক অন্তৰ্বৰ্তীকালীন জামিন দিবলৈ অস্বীকাৰ কৰে। শিৱসাগৰ জিলাৰ সোণাৰি থানাত ৰুজু হোৱা গোচৰত অভিযুক্তজনে উচ্চ ন্যায়ালয়ত আগতীয়া জামিন আবেদন দাখিল কৰি অন্তৰ্বৰ্তীকালীন সকাহ দিবলৈ অনুৰোধ জনাইছিল। আবেদনখনৰ

শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে অভিযুক্ত বৰাৰ অন্তৰ্বৰ্তীকালীন জামিন নামঞ্জুৰ কৰে। ইয়াৰ বিপৰীতে অহা ২২ অক্টোবৰত গোচৰৰ কেছ ডায়েৰী দাখিল কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিয়ে।

০০০০০০০

অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত-সচিবে ৰাজ্য চৰকাৰৰ কৰ্মকাৰীসকলৰ পাৰস্পৰিক বদলিৰ ক্ষেত্ৰত প্ৰস্তুত কৰা পোৰ্টেলৰ বাবে যাৱতীয় তথ্য আজিৰ ভিতৰত দাখিল কৰিবলৈ সকলো বিভাগৰ জ্যেষ্ঠতম সচিবসকললৈ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলি প্ৰক্ৰিয়া এটা নিৰ্দিষ্ট ব্যৱস্থাৰ মাজেৰে অনাৰ বাবে নতুন ডিজিটেল প'ৰ্টেল মুকলি কৰাৰ বিষয়ে ঘোষণা কৰিছিল। অহা ২ অক্টোবৰৰ পৰা এই পোৰ্টেলটো মুকলি হ'ব। সেই অনুসৰি অতি জৰুৰীভাৱে যাৱতীয় তথ্য দাখিল কৰিবলৈ নিৰ্দেশনাটোক কোৱা হৈছে। উল্লেখযোগ্য যে, মুকলি হ'বলগীয়া এই প'ৰ্টেলৰ জৰিয়তে ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলে অন লাইনৰ জৰিয়তে পাৰস্পৰিক বদলিৰ বাবে আবেদন জনাব পাৰিব।

০০০০০০০

ঝাৰখণ্ড বিজেপিৰ সহ প্ৰভাৰীৰ দায়িত্বত থকা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে সমাগত ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত বিজেপিয়ে জে ডি ইউ আৰু অল ঝাৰখণ্ড ষ্টুডেণ্টছ ইউনিয়নৰ সৈতে একেলগে প্ৰতিদ্বন্দ্বিতা কৰিব। তেওঁ কয় যে আসন আৱণ্টনক লৈ কোনোধৰণৰ মতানৈক্য হোৱা নাই। ৰাঁচীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰী শৰ্মাই কয় যে, আসন ভাগ বাটোৱাৰাৰ প্ৰক্ৰিয়া চূড়ান্ত পৰ্যায়ত আছে আৰু অক্টোবৰৰ প্ৰথম সপ্তাহত প্ৰাৰ্থী তালিকা ঘোষণা কৰা হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি কামৰূপ জিলাৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বচ্ছতাই সেৱা শীৰ্ষক দেশজোৰা অভিযানৰ অংশ হিচাপে এটা জনসম্পৰ্ক ৰক্ষা কাৰ্যসূচী গ্ৰহণ কৰে। উল্লেখযোগ্য যে **স্বভাৱ স্বচ্ছতা, সংস্কাৰ স্বচ্ছতা** শীৰ্ষক স্বচ্ছতা আৰু অনাময় কাৰ্যসূচীৰ দ্বাৰা স্বচ্ছতাই সেৱা নামৰ অভিযান ৰূপায়ণ কৰা হৈছে। আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে এই কাৰ্যসূচীৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক দৈনন্দিন জীৱনত স্বচ্ছতা আৰু অনাময়ৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ প্ৰয়াস কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এই উপলক্ষে কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। বিজয়ী প্ৰতিযোগীসকলক একোটাকৈ ৰেডিঅ' ছেট, ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু পি আই বি উত্তৰ-পূব মণ্ডলৰ সঞ্চালকপ্ৰধান কে সতীশ নাম্বুডিৰিপাডে অংশগ্ৰহণ কৰে।

০০০০০

বিশ্বজুৰি স্বাস্থ্যৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাৰ্তাৰে আজি বিশ্ব ফাৰ্মাচিষ্ট দিৱস পালন কৰা হৈছে। ৰাজ্যৰ চৰকাৰী-বেচৰকাৰী স্বাস্থ্যসেৱা খণ্ডত বিশেষ ভূমিকা পালন কৰি অহা ফাৰ্মাচিষ্টসকলৰ উমৈহতীয়া মঞ্চত সদৌ অসম ফাৰ্মাচিষ্ট সেৱা সন্থাৰ চিৰাং জিলা সমিতিৰ উদ্যোগত আজি প্ৰথমবাৰৰ বাবে জিলাখনৰ কাজলগাঁৱত এই দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পতাকা উত্তোলন, স্মৃতি তৰ্পন আৰু গছপুলি ৰোপণৰ পাছত মুকলি সভা অনুষ্ঠিত হয়। অনুষ্ঠানত জিলাখনৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী স্বাস্থ্য খণ্ডত কৰ্মৰত ফাৰ্মাচিষ্টসকল উপস্থিত থাকে।

০০০০০০০

চৰাইদেউ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি নৱনিযুক্ত আয়ুক্তগৰাকীয়ে জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনি সন্দৰ্ভত সংশ্লিষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। তেওঁ লগত জিলাখনৰ জ্যেষ্ঠ নাগৰিকসকলৰ উপৰি সামাজিক, সাংস্কৃতিক, শৈক্ষিক আৰু ক্ৰীড়া জগতৰ সৈতে জড়িত সংগঠনৰ প্ৰতিনিধিৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত আয়ুক্তগৰাকীয়ে জিলাখনৰ বিভিন্ন সমস্যা সন্দৰ্ভত প্ৰতিনিধিসকলক অৱগত কৰাৰ লগতে এই সমস্যাসমূহ দূৰ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে। আজিৰ সভাত জিলাখনৰ বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

ৰাষ্ট্ৰীয় পোষণ মাহৰ লগত সংগতি ৰাখি আজি বাক্সা জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু জিলা শিশু সুৰক্ষা গোটৰ সহযোগত এটা সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে শিশু আৰু মাতৃৰ স্বাস্থ্য আৰু পুষ্টিদায়ক খাদ্য সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাত সমাজকল্যাণ আৰু শিশু সুৰক্ষা বিভাগৰ বহু কেইগৰাকী ব্যক্তিৰ লগতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ শিশুৰোগ বিভাগৰ সহযোগী অধ্যাপকো উপস্থিত থাকে।

০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে ডিগবৈ বন সংমণ্ডলৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা ডিগবৈত বন ভিত্তিক জীৱিকা অৰ্জন সম্পৰ্কীয় এটি প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰিছে। এই প্ৰশিক্ষণত ৩৫ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণত বাঁহ, সাঁচিগছ, কয়লা, কৃষি বনানীকৰণ, কাঠফুলা, বন সংৰক্ষণ আদি বিভিন্ন বিষয়ৰ ওপৰত এই কৰ্মশালাত প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০০

সদৌ অসম উকীল সন্থাৰ অষ্টাদশ দ্বিবাৰ্ষিক অধিৱেশন অহা ২৭ ছেপ্তেম্বৰৰ পৰা তিনিদিনীয়াকৈ পাঠশালাৰ ঐতিহাসিক ভাগৱতী ক্ষেত্ৰত অনুষ্ঠিত হ'ব। বজালী জিলা উকীল সন্থাৰ সহযোগত হ'বলগীয়া এই কাৰ্যসূচীত ভালেসংখ্যক বিশিষ্ট ব্যক্তি আৰু জ্যেষ্ঠ অধিবক্তাই অংশ ল'ব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অসমীয়া ভাষাৰ সাধাৰণ ঘোষণা তথা শিশু আৰু মহিলা শাখাৰ লগতে হিন্দী, নেপালী, কাৰ্বি, বড়ো, চাহ জনগোষ্ঠীৰ অনুষ্ঠান আৰু পাশ্চাত্য সংগীত শাখাত অংশকালীন ঘোষক-ঘোষিকাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। ২০ৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰৰ স্নাতক ডিগ্ৰীধাৰী প্ৰাৰ্থীয়ে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। প্ৰাৰ্থী গুৱাহাটী পৌৰ এলেকাৰ বাসিন্দা হ'ব লাগিব। আগ্ৰহীসকলে আকাশবাণী গুৱাহাটীৰ ফেচবুক পেজ AIR GUWAHATI-ৰ পৰা আবেদন প্ৰ-পত্ৰ ডাউনলʼড কৰি অথবা আকাশবাণী গুৱাহাটীৰ সমন্বয় শাখাৰ পৰা আবেদন প্ৰ-পত্ৰ সংগ্ৰহ কৰি যাৱতীয় নথিৰ সৈতে অহা ৪ অক্টোবৰৰ ভিতৰত জমা দিব লাগিব। প্ৰাৰ্থীসকলক লিখিত পৰীক্ষা, কণ্ঠস্বৰ পৰীক্ষা আৰু সাক্ষাতকাৰৰ জৰিয়তে নিৰ্বাচন কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে পৰহিলৈ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

নতুন দিল্লীৰ মেজৰ ধ্যানচান্দ ৰাষ্ট্ৰীয় ষ্টেডিয়ামত অহা ২৩ আৰু ২৪ অক্টোবৰত ভাৰত আৰু জাৰ্মানীৰ মাজত দ্বিদেশীয় হকী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ভাৰতীয় হকী দলৰ কেপ্টেইন হৰমন প্ৰীত সিঙে এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাই ৰাষ্ট্ৰীয় ৰাজধানী তথা দেশত হকী খেলৰ প্ৰতি আগ্ৰহ পুনৰ উজ্জীৱিত কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে এটা দশকৰ পাছত নতুন দিল্লীত আন্তঃৰাষ্ট্ৰীয় হকী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাই দেশৰ নৱ প্ৰজন্মৰ মাজত হকীৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০

**সমাপ্ত**